...কচৰ্চা লাভ কৰি আহিছে। ধৰ্মনীয় ... সংস্কৃতিৰ অন্ধ অনুকৰণ ... আৰু জীৱনৰ পৰুৱা সকলসমূহক ... কৰাত উপস্থাপন কৰা জীৱন ... সংস্কৃতিৰ এই অভিনৱ যাত্ৰাই ... এক অনন্য গতি।

বটীৰামৰী শ্ৰীপ্ৰসাদ নেপাল আৰু বীশেশ্বৰ নেপালৰ পুত্ৰ ধানেশ্বৰ নেপাল। তেওঁ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱতীৰ্ণ হৈ ৬১ শতাংশ নম্বৰেৰে প্ৰথম স্থান লাভ কৰে। দ্বিতীয়স্থানী হ'ল বৰাকুলীৰ নবীন দাস আৰু সবিতা ...

তিনিগৰাকী ছাত্ৰ-ছাত্ৰীৰ কৃতিত্বত সৰ্বশিক্ষা অভিযান মিচন, বিহালী শিক্ষা খণ্ডৰ সৰ্বাধিক শিক্ষাৰ সহকাৰী সমল ব্যক্তি লিপন্ত দাস, সমল ব্যক্তি হৰ ক্ৰমে কৰী চেতিয়া আৰু পাপৰি ভূঞাৰ সগতে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মনীষ ঠাকুৰে অভিনন্দন জ্ঞাপন কৰিছে।

... এইৰ বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। ইতিমধ্যে ... প্ৰথমটো কাৰ্যসূচী বিশ্বনাথ জিলাৰ উপায়ুক্তৰ উপস্থিতিত বিশ্ব পৰিৱেশ দিবস পালন কৰা হয়। অহা ১০ জুলাই তাৰিখে বিদ্যালয়খনত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক লৈ এখন সভা অনুষ্ঠিত হ'ব। উক্ত সভাত অসমৰ বিভিন্ন স্থানত থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক উপস্থিত হ'বৰ বাবে উদ্‌যাপন সমিতিৰ দুটীয়া সম্পাদক দীপা উপাধ্যায় আৰু ৰাজকুমাৰ কাটলে আহ্বান জনাইছে।

# জিএনআৰচিত এছচিটিআইএমএছটিৰ মৃগীৰোগৰ চিএমই

...হাটী, ২৬ জুন ঃ মৃগীৰোগ সম্পৰ্কে উত্তৰ-পূব অঞ্চলৰ জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টিৰ উদ্দেশ্যে ২৫ জুনত অসমৰ আগশাৰীৰ ... খণ্ডৰ চিকিৎসা প্ৰতিষ্ঠান জি এন আৰ চি হাস্পতালৰ দিছপুৰ টাৱাৰৰ প্ৰেক্ষাগৃহত আয়োজন কৰা হৈছিল মৃগীৰোগৰ ওপৰত এক অবিৰত চিকিৎসা শিক্ষানুষ্ঠানৰ। উক্ত অনুষ্ঠানত আন আন বিশেষজ্ঞসকলৰ লগতে প্ৰায় এশৰো অধিক স্নায়ু আৰু শিশুৰোগ বিশেষজ্ঞও উপস্থিত থাকে। থিৰুৱনন্তপুৰম শ্ৰীচিত্ৰা টিউচনেল ইনষ্টিটিউট ফৰ মেডিকেল চাইন্স এণ্ড টেকন'লজীৰ স্নায়ুৰোগ বিভাগৰ অধ্যক্ষ ডাঃ আশালতা ৰাধাকৃষ্ণণৰ তত্বাৱধানত এই অবিৰত চিকিৎসা শিক্ষাৰ আয়োজন কৰা হৈছিল। মৃগী ৰোগ নিয়ন্ত্ৰণ আৰু সজাগতাৰ উদ্দেশ্যে তেওঁ আগবঢ়োৱা অৱদানৰ বাবে তেখেতে ২০০৯ চনত বুডাপেষ্টত অনুষ্ঠিত ২৮ তম আন্তঃৰাষ্ট্ৰীয় মৃগীৰোগ কংগ্ৰেছৰ ষ্টাৰ'ইয়ং ইনভেষ্টিগেটিভ এৱাৰ্ড' আৰু 'নেশ্যনেল বায়' চাইল্ড এৱাৰ্ড ফৰ কেৰিয়াৰ ডেভেলপমেণ্ট ২০০১' লাভ কৰিছে। উক্ত অনুষ্ঠানত তেখেতে 'শিশুৰ মৃগীৰোগ' আৰু 'মৃগীৰোগত অস্ত্ৰোপচাৰ'ৰ প্ৰভাৱৰ ওপৰত বক্তব্য দাঙি ধৰে। উক্ত অনুষ্ঠানত জি এন আৰ চি হাস্পতালৰ স্নায়ুৰোগ বিভাগৰ পৰামৰ্শদাতা ডাঃ প্ৰসেনজিৎ ডেকাই 'ইকুইট চিমটমেটিক ছিজাৰ'ৰ বিষয়ে জনাই যে মৃগীৰোগ কেৱল কিছু হোৱাতে সীমাবদ্ধ নহয়। বহু মৃগীৰোগীয়ে অজ্ঞিনাক অৱস্থাতে থাকে। ফলত তেওঁলোক চিকিৎসাৰ পৰা বঞ্চিত হয়। কেৱল অসমতে তিনি লাখ লোক মৃগীৰোগত আক্ৰান্ত। সেয়েহে এনেধৰণৰ মৃগীৰোগ নিৰ্মূল কৰাৰ উদ্দেশ্যে আমি জি এন আৰ চি হাস্পতাল, ছয়মাইলত নিয়মীয়াকৈ মৃগীৰোগ চিকিৎসা ক্লিনিকৰ আয়োজন কৰিছো। ইতিমধ্যে আমি ৪২ জন লোকক চিকিৎসা প্ৰদান কৰিছো। জি এন আৰ চি হাস্পতালৰ স্নায়ুৰোগ বিভাগৰ বিশেষজ্ঞ ডাঃ নম্ৰতা খণ্ডেলৱালে 'অট' ইউ মিনি এনকেফেলাইটিছ'ৰ ওপৰত বক্তব্য দাঙি ধৰে। তেওঁ জনাই যে, 'মৃগীৰোগত আক্ৰান্ত ব্যক্তিয়েও সাধাৰণ এগৰাকী ব্যক্তিৰ দৰে খেলা-ধূলা, চাকৰি তথা সুন্দৰকৈ বৈবাহিক জীৱন অতিবাহিত কৰিব পাৰে। ৪০ তাতকৈয়ো অধিক লক্ষণ থকা মৃগী ৰোগৰ লক্ষণবোৰৰ বিষয়ে আমি সকলোৱে জানিলেহে চিকিৎসা সেৱা আগবঢ়োৱা সহজ হৈ পৰিব। জি এন আৰ চি হাস্পতালৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ডাঃ নোমল চন্দ্ৰ বৰাই বিশিষ্ট অতিথি ৰূপে উপস্থিত থকা ডাঃ আশালতা ৰাধাকৃষ্ণণক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে জনাই যে, মৃগীৰোগ চিনাক্তকৰণ আৰু কম সময়ৰ ভিতৰতে চিকিৎসা কৰাব পাৰিলে ৰোগ বহু পৰিমাণে নিয়ন্ত্ৰণত ৰাখিব পাৰি। সকলোৱে বাবে স্বাস্থ্য, সকলোৰে মুখত হাঁহি বিৰিঙোৱাৰ উদ্দেশ্যে জি এন আৰ চিয়ে প্ৰায়ে এনে পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি কৈ ডাঃ বৰাই তেওঁৰ ভাষণৰ সামৰণি মাৰে।




Janambhumi Barta
27/6/16